অসম আদিত্য

১৯ আহিন, ১৯৪৫ শক ■ শনিবাৰ, ৭ অক্টোবৰ, ২০২৩ ■ Asom Aditya, Dibrugarh, Saturday, October 7, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ

# কানৈ কলেজৰ নামত ডাক বিভাগৰ বিশেষ খাম মুকলি



ডিব্ৰুগড়, ৬ অক্টোবৰ ঃ অসমৰ এখন ঐতিহাসিক উচ্চশিক্ষানুষ্ঠান ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ নামত আজি ভাৰতীয় ডাক বিভাগে মুকলি কৰে এক বিশেষ খাম। এই বিশেষ খামটো মুকলি কৰে ডিব্ৰুগড় মণ্ডলৰ প'ষ্ট মাষ্টৰ জেনেৰেল চি এল লালফা জোৱালা, ডিব্ৰুগড় মণ্ডলৰ অধীক্ষক কুমাৰ ৰঞ্জন ৰয় আৰু অৱসৰপ্ৰাপ্ত ডাক অধীক্ষক দেৱী প্ৰসাদ নায়কে। ডিব্ৰুগড়ত আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হোৱা ডাক টিকট সংগ্ৰহ প্ৰদৰ্শনী মুকলি অনুষ্ঠানত এই বিশেষ খামটো দেশবাসীৰ বাবে মুকলি কৰা হয়। উল্লেখ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তিনিবাৰকৈ শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয় সন্মান, সেউজ মহাবিদ্যালয়, দেশৰ ভিতৰত এখন স্বচ্ছ মহাবিদ্যালয় নামেৰে উজলি উঠা কানৈ মহাবিদ্যালয়ক ভাৰতীয় ডাক বিভাগে এনেদৰে স্বীকৃতি প্ৰদান কৰাত মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত আনন্দৰ বন্যা বৈছে। ৭৫ বছৰ অতিক্ৰম কৰা কানৈ মহাবিদ্যালয়ৰ ইতিহাসত ই এক নতুন সংযোজন বুলি অভিহীত হৈছে। এই আটকধুনীয়া আৰু ৰঙীন খামটো মুকলি হোৱাৰ পিছতে ডাক টিকট সংগ্ৰহকাৰীসকলৰ মাজত এই বিশেষ খামটো সংগ্ৰহ কৰি সংৰক্ষণ কৰাৰ এক অঘোষিত প্ৰতিযোগিতা হোৱা বুলি ডাক বিভাগৰ পৰা জানিব পৰা গৈছে। এতিয়াৰে পৰা দেশৰ প্ৰান্তে প্ৰান্তে কানৈ মহাবিদ্যালয়ৰ নামত মুকলি হোৱা এই বিশেষ খামটো ডাক বিভাগৰ মাধ্যমেৰে সকলোৰে মাজত সহজলভ্য হৈ পৰিব। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই কয় যে এয়া মহাবিদ্যালয়খনৰ বাবেই নহয়, উত্তৰ-পূব ভাৰতৰ মহাবিদ্যালয় তথা শিক্ষানুষ্ঠান আৰু অঞ্চলটোৰ বাবে ই এক গৌৰৱৰ মুহূৰ্ত। তেওঁ কয় যে মহাবিদ্যালয়খনে ৭৫ বছৰ অতিক্ৰম কৰি ইতিমধ্যে মহাৰজত জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিছে। মহাৰজত জয়ন্তী উদ্‌যাপন কৰা মহাবিদ্যালয়খনৰ নামত ডাক বিভাগে এনেদৰে স্বীকৃতি আৰু সন্মান দিয়াত তেওঁ ভাৰতীয় ডাক বিভাগক ধন্যবাদ আৰু কৃতজ্ঞতা জনায়। উল্লেখ্য যে বিগত কিছুদিন ধৰি ডাক বিভাগৰ এই বিশেষ খামটো মুকলি কৰাৰ বাবে এক দীৰ্ঘ সময়ৰ প্ৰক্ৰিয়াৰ মাজেৰে আহি আজি এই পবিত্ৰ দিনটোত উপস্থিত হয়হি। অনুষ্ঠানত ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ হৈ উপস্থিত থাকে উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামী।